**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

—————————

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি ডিব্ৰুগড়ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হৈ ৩০ অক্টোবৰৰ ভিতৰত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনৰ গৃহ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে এই বৈঠকত তেওঁৰ বিভাগৰ লগতে অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আৰু অন্যান্য আঁচনিসমূহৰ কামকাজৰ বিস্তৃতভাৱে পৰ্যালোচনা কৰে। এই সভাত বিধায়ক তেৰচ গোৱালা, জিলাখনৰ আয়ুক্ত বিক্ৰম কৈৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু  খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত আছিল।

০০০০০০

ডিব্ৰুগড়ৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় তথা বুৰঞ্জী আৰু পুৰাতত্ব সঞ্চালকালয়ে যুটীয়াভাৱে শ্ৰীশ্ৰীমায়ামৰা দিনজয় সত্ৰত কালিৰে পৰা ৫ দিনীয়াকৈ পাণ্ডুলিপি সংৰক্ষণ আৰু পুনৰ প্ৰস্তুতকৰণৰ কৰ্মশালাৰ আয়োজন কৰিছে। সত্ৰখনত সংৰক্ষিত আপৰুগীয়া সাঁচিপাতৰ পুথিসমূহ বিজ্ঞানসন্মতভাৱে অবিকল ৰূপত সংৰক্ষণৰ লক্ষ্যৰে  এই ব্যৱস্থা লোৱা হৈছে। অহা ৩০ জুলাইলৈকে হ'বলগীয়া কৰ্মশালা কালি ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য্য ড০ জীতেন হাজৰিকাই উদ্বোধন কৰে। বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড০ সংগীতা গগৈয়ে এই কৰ্মশালাত সাঁচিপাতৰ পুথিসমূহ কিদৰে সংৰক্ষণ কৰিব পাৰি সেই বিষয়ে ব্যাখ্যা কৰে।  কৰ্মশালাত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ মায়ামৰা ধৰ্মীয় নামঘৰৰ পৰা  বাচনি কৰা দুজনকৈ আৰু বিভিন্ন মহাবিদ্যালয়,  বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

উৰিয়াম ঘাটৰ ৰেঙমা সংৰক্ষিত বনাঞ্চলত অহা ২৯ জুলাইৰ পুৱাৰ পৰা উচ্ছেদ চলোৱা হ'ব। বন বিভাগে অঞ্চলটোৰ সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি গাঁওসমূহলৈ গৈ কাইলৈৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ জাননী দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। জাননী জাৰি কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰীবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। গাঁওখনৰ ২০৫ টা পৰিয়ালে বনভূমি দখল কৰি থকাৰ তথ্য লাভ কৰি গোলাঘাট জিলা বন বিভাগে সাত দিনৰ ভিতৰত ঠাইখন খালী কৰিবলৈ যোৱা ২৪ জুলাইত জাননী জাৰি কৰিছিল।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ

নিৰ্দেশ দিয়া হৈছে। নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়াই সংশ্লিষ্ট অঞ্চলৰ বাসিন্দাসকললৈ জাৰি কৰা জাননী অনুসৰি হাতীচোং মৌজাৰ গবৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে সিদ্ধান্ত লৈছে। একেদৰে যোৱা ৫ জুলাইত ধিং ৰাজহচক্ৰ বিষয়াই আলি টাঙনি মৌজাৰ বালিকতিয়া কিছামতৰ ভূমিও সাদিনৰ ভিতৰত দখলমুক্ত কৰিবলৈ জাননী জাৰি কৰিছিল।

০০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ২০২৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত মুঠ ১৬ হাজাৰ ৩৩২ কোটি টকাত অনুমোদন দিয়ে। সাংসদ দিলীপ শইকীয়া আৰু অন্য দুগৰাকী সাংসদে সোধা তৰাবিহীন প্ৰশ্নৰ উত্তৰত উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰে কালি লোকসভাত এই কথা সদৰি কৰে। উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ বাবে ধাৰ্য কৰা মুঠ ধন সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীমজুমদাৰে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী উন্নয়ন পদক্ষেপৰ অধীনত ৬ হাজাৰ ৬০০ কোটি, উত্তৰ-পূৰ্বাঞ্চল বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ পথ শিতানৰ বাবদ ২ হাজাৰ ৭১৮ কোটি, উত্তৰ-পূৰ্বাঞ্চল বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ অন্য শিতানৰ বাবে ৩ হাজাৰ ৭৯৬ কোটি, উত্তৰ-পূব উন্নয়ন পৰিষদৰ বিভিন্ন আঁচনিৰ বাবে এহেজাৰ ৯৬৮ কোটি আৰু অসমৰ বাবে বিশেষ পেকেজৰ অধীনত এহেজাৰ ২৫০ কোটি টকা আৱণ্টন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী উন্নয়ন পদক্ষেপৰ অধীনত ২০২২-২৩ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ ৪ বছৰৰ বাবে ৬ হাজাৰ ৬০০ কোটি টকাৰে কেইবাখনো কেন্দ্ৰীয় আঁচনি ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি উন্নয়ন আৰু সামাজিক উত্থান প্ৰকল্পসমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি শ্ৰীমজুমদাৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২২-২৩ বৰ্ষৰ বাজেটত কেন্দ্ৰীয় আঁচনি হিচাপে আৰম্ভ কৰা এই আঁচনিৰ প্ৰথম পৰ্যায়ত এহেজাৰ ৫০০ কোটি টকাৰ আৱণ্টনেৰে ৭টা প্ৰাৰম্ভিক প্ৰকল্প ৰূপায়ণ কৰা হৈছে। অসমৰ বাবে বিশেষ পেকেজৰ অধীনত ৰাজ্যখনত স্বায়ত্তশাসিত পৰিষদৰ উন্নয়নৰ বাবে বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰা হৈছে। ইয়াৰে অংশ হিচাপে ২০০৩ আৰু ২০২০ চনত স্বাক্ষৰিত বুজাবুজি চুক্তিৰ অনুযায়ী বিটিচিৰ ৬৫টা প্ৰকল্পৰ বাবে ৭৪৯ কোটি ৮৫ লাখ টকা আৱণ্টন দিয়া হৈছে। একেদৰে ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ বাবে আগবঢ়োৱা ২০০ কোটি টকাৰ পেকেজৰ অধীনৰ ১৪টা প্ৰকল্পৰ বাবে ১৯৫ কোটি টকা আৱণ্টন দিয়া হৈছে।

০০০০০০

হোজাই জিলাৰ ডবকাত আবকাৰী বিভাগে যোৱা নিশা অভিযান চলাই বুজন পৰিমাণৰ সুৰা জব্দ কৰে। ডবকা চহৰত থকা ডাকঘৰৰ সন্মুখত এখন স্কুটীত সৰবৰাহৰ বাবে অনা এই সুৰা বিভাগে জব্দ কৰে যদিও সৰবৰাহকাৰীজনে পলায়ন কৰে। কামপুৰৰ ভাৰপ্ৰাপ্ত আবকাৰী পৰিদৰ্শকে প্ৰকাশ কৰা মতে ডবকা অঞ্চলত সুৰাৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা হ'ব।

০০০০০০

সমাপ্ত